দিনটোৰ বাণী

এজন বিশ্বাসী
বন্ধু হৈছে
জীৱনৰ মহৌষধ।

— টিৰুক কুৱাল

# অসম আদিত্য

RNI REGN. No. : A
epaper.asom
Portal : www.as
e-mail : asomad



স্বা

শৰীৰত পানীৰ অভ
এটা কাৰণ। ইয়াৰ বা
দুবাৰকৈ আদা, নেমু
খাব লাগে। তদুপৰি দি
৩ লিটাৰ পানী খোৱা


## কানৈ কলেজত সংস্কৃত বিভাগৰ উদ্যোগত এদিনীয়া কৰ্মশালা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১০ জুন ঃ** 'সংস্কৃত ভাষা আত্মাৰ ভাষা। মানৱ জাতিৰ সৃষ্টিৰ বিষয়ে জানিবলৈ সংস্কৃত সাহিত্যৰ অধ্যয়ন অতি প্ৰয়োজনীয়।'— ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ উদ্যোগত আৰু সংস্কৃত ভাৰতী, উত্তৰ-পূৰ্বাঞ্চলৰ সহযোগত এদিনীয়া কাৰ্যসূচীৰে সৰল সংস্কৃত সম্ভাষণৰ 'একদিৱসীয়া সৰলমানক সংস্কৃত কাৰ্যশালা' শীৰ্ষক কৰ্মশালাখনি উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। সংস্কৃত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ মংগলাচাৰণেৰে শুভাৰম্ভ হোৱা কৰ্মশালাখনত আদৰণী ভাষণ প্ৰদান কৰে সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা কল্যাণী দাসে। অনুষ্ঠানটিত উদ্দেশ্য ব্যাখ্যা কৰে অধ্যাপিকা বিনী শইকীয়াই। অধ্যাপিকা ড০ চয়নিকা গোস্বামীয়ে পৰিচালনা কৰা অনুষ্ঠানটিত ডিব্ৰুগড় জিলাৰ অন্তৰ্গত বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড০ মৃদুল শৰ্মা, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ অনুপজ্যোতি ভৰালীৰ সংস্কৃত বিষয়ৰ প্ৰতি প্ৰীতিসূচক মন্তব্যই উপস্থিত সকলোকে অনুপ্ৰাণিত কৰে। এই কৰ্মশালাখনি তিনিটা সত্ৰত অনুষ্ঠিত হৈ যায়। সংস্কৃত ভাৰতী উত্তৰ-অসম প্ৰান্তৰ সংগঠন মন্ত্ৰী ভবেন শইকীয়া তথা তিনিচুকীয়া কেন্দ্ৰৰ অনৌপচাৰিক সংস্কৃত শিক্ষণ কেন্দ্ৰৰ শিক্ষক ডিব্ৰুগড় জিলাৰ সংস্কৃত ভাৰতীৰ বিভাগ প্ৰমুখ অনন্ত চেতিয়াৰ আকৰ্ষণীয় শিক্ষণ শৈলীয়ে উপস্থিত আটাইকে মুগ্ধ কৰে। এই কৰ্মশালাটিত সংস্কৃত ভাৰতীৰ বিদ্যালয় সম্পৰ্ক প্ৰমুখ অনিৰ্বাণ শৰ্মাৰ সক্ৰিয় সহযোগ প্ৰশংসনীয়। সংস্কৃত ভাৰতীৰ কৰ্মকৰ্তাসকলৰ অংশগ্ৰহণ আৰু সহযোগে কৰ্মশালাটি সাফল্যমণ্ডিত কৰি তোলে। কৰ্মশালাখনিত উপস্থিত থাকি



মনোহাৰী দেৱী কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষা তথা সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ মানসী শৰ্মাই আয়োজকসকলক উৎসাহ প্ৰদান কৰে। কৰ্মশালাটিত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।